# নব্য ধৰ্মীয় ভাৱধাৰাৰ উত্থান

## TEXTUAL QUESTIONS AND ANSWERS

**প্ৰশ্ন ১: এটা শব্দ বা বাক্যত উত্তৰ লিখা ।**

( ক ) ভাৰতত কেতিয়াৰ পৰা ভক্তিবাদ আন্দোলন আৰম্ভ হৈছিল ?

**উত্তৰঃ** অষ্টম শতিকাৰ পৰা ।

( খ ) কবীৰে ৰচনা কৰা ভক্তিবাদৰ কবিতাসমূহক কি বুলি কোৱা হৈছিল ?

**উত্তৰঃ** ‘দোহা ’ ।

( গ ) ‘ ৰামচৰিত মানস ’ কোনে ৰচনা কৰিছিল ?

**উত্তৰঃ** তুলসী দাসে ।

( ঘ ) উত্তৰ – পূব ভাৰতত ভক্তিবাদক জনপ্ৰিয় কৰি তোলা লোকজনৰ নাম লিখা ।

**উত্তৰঃ** চৈতন্যদেৱে ।

( ঙ ) মঈনুদ্দিন চিস্তিৰ দৰগাহ ক’ত আছে ?

**উত্তৰঃ** আজমীৰত ।

**প্ৰশ্ন ২: খালী ঠাই পূৰ কৰা –**

( ক ) ___ প্ৰথম ভক্তি শব্দৰ উল্লেখ পোৱা যায় ।

**উত্তৰঃ** উপনিষদত ।

( খ ) ___ আছিল বেদান্ত দৰ্শনৰ অদ্বৈতবাদৰ প্ৰতিষ্ঠাপক ।

**উত্তৰঃ** শঙ্কৰাচাৰ্য ।

( গ ) কবীৰ এটা ___ পৰিয়ালত ডাঙৰ দীঘল হৈছিল ।

**উত্তৰঃ** মুছলমান ।

( ঘ ) ___ অসমত নৱ – বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰিছিল ।

**উত্তৰঃ** শ্ৰীমন্ত শংকৰদেৱে ।

( ঙ ) ___ পাঁচ পীৰৰ দৰগাহ আছে ।

**উত্তৰঃ** ধুবুৰীত ।

**প্ৰশ্ন ৩: চমুটোকা লিখা –**

**( ক ) শঙ্কৰাচাৰ্য ।**

**উত্তৰঃ** বৈষ্ণৱ ভক্তি ধৰ্মপ্ৰচাৰ কৰা আচাৰ্যসকলৰ ভিতৰত শঙ্কৰাচাৰ্যই হ'ল প্ৰথম । দক্ষিণ ভাৰতৰ কেৰেলা প্ৰদেশৰ পূৰ্ণা নদীৰ পাৰৰ এখন গাঁৱত ৭৮৮ খৃঃত শঙ্কৰাচাৰ্যই জন্ম গ্ৰহণ কৰিছিল । তেওঁ কম বয়সতে চাৰিওখন বেদৰ জ্ঞান আহৰণ কৰিছিল আৰু ডাঙৰ হৈ কেৰেলা ৰাজ্যত ভক্তিবাদৰ প্ৰচাৰ কৰিছিল । শঙ্কৰাচাৰ্য আছিল বেদান্তদৰ্শনৰ অদ্বৈতবাদৰ প্ৰতিষ্ঠাপক । অদ্বৈতবাদত একৰ বাহিৰে দুই সত্ত্বাৰ অস্তিত্ব স্বীকাৰ কৰা নহয় । শঙ্কৰাচাৰ্যই প্ৰকৃত জ্ঞানৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল । সৎকৰ্ম আৰু সৎ জ্ঞানৰ দ্বাৰাহে যে মানুহে মুক্তি লাভ কৰিব পাৰে এই কথা তেওঁ সমাজত প্ৰচাৰ কৰিছিল ।

**( খ ) চৈতন্যদেৱ ।**

**উত্তৰঃ** দক্ষিণ ভাৰতত আলােৱাৰ সকলে আৰম্ভ কৰা ভক্তি আন্দোলন লাহে লাহে সমগ্ৰ ভাৰতত বিয়পি পৰিছিল কিছুসংখ্যক অনুৰাগীৰ জৰিয়তে। উত্তৰ পূব ভাৰতত ভক্তিবাদক জনপ্ৰিয় কৰি তুলিছিল চৈতন্যদেৱে । তেওঁ বঙ্গদেশত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল । তেওঁ প্ৰচাৰ কৰা ভক্তি ধৰ্ম্মক ' অচিন্ত্য ভেদাভেদ ' নামেৰে জনা যায়। তেওঁ জাতিবিচাৰ বৰ্জন কৰিছিল ; যিটো কাম মহামানৱ মহাত্মা গান্ধীয়ে উনৈশ শতিকাত ' অস্পৃশ্যতা বৰ্জন ' নামেৰে আৰম্ভ কৰিছিল । চৈতন্যদেৱ আৰু তেওঁৰ প্ৰচাৰকসকলে ঘৰে ঘৰে গৈ নাম ' প্ৰচাৰ কৰিছিল ।

## ( গ ) কবীৰ ।

**উত্তৰঃ** কবীৰ মধ্য যুগৰ এজন ভক্ত , সাধক আৰু কবি । উত্তৰ ভাৰতৰ হিন্দীভাষী অঞ্চলত পাোন প্ৰথমে ভক্তি ধৰ্ম প্ৰচাৰ কৰা স্বামী ৰামানন্দৰ তেওঁ প্ৰধান শিষ্য আছিল । কবীৰৰ জন্ম আৰু মৃত্যু ৰহস্যকৰ । প্ৰকৃততে কবীৰৰ জন্মৰ কথা কোনেও নাজানে । এগৰাকী মুছলমান তাঁতীয়ে কবীৰক কেচুৱা অৱস্থাতে এক পৰিত্যক্ত অৱস্থাত পাই তুলি-তালি ডাঙৰ – দীঘল কৰিছিল । কবীৰ এজন কবি আছিল । কবীৰে কবিতাৰ যাোগেদি ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল । তেওঁ ৰচনা কৰা ভক্তিবাদৰ কবিতাসমূহক ‘ দোহা ’ বাোলা হয় । অন্যান্য ভক্তি মাৰ্গৰ সাধকসকলৰ দৰে তেওঁ এক ভগৱানৰ উপাসক আছিল । ভগৱানক তেওঁ ৰাম , হৰি , আল্লা , খাোদা আদি বিভিন্ন নামেৰে অভিহিত কৰিছিল । সাধাৰণলাোকৰ মাজত কবীৰ ইমানেই জনপ্ৰিয় আছিল যে তেওঁৰ সমসাময়িক মুছলমান সকলে তেওঁক চুফি সাধক আৰু হিন্দুসকলে ৰামভক্ত বুলি স্বীকাৰ কৰিছিল । হিন্দু – মুছলমান উভয় ধৰ্মৰলাোকে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল ।

## ( ঘ ) নিজামুদ্দিন আউলিয়া ।

**উত্তৰঃ** নিজামুদ্দিন আউলিয়া ইছলাম ধৰ্মৰ চুফীপন্থাৰ এজন প্ৰখ্যাত চুফী । চুফী পন্থাৰ অন্যতম নীতি হ’ল উদাৰতা । খৃষ্টীয় একাদশ – দ্বাদশ শতিকামানৰ পৰাই ইছলাম ধৰ্ম প্ৰচাৰৰ কাৰণে মধ্য এচিয়াৰ পৰা কেইবাজনাে ধৰ্ম প্ৰচাৰকৰ ভাৰতলৈ আগমন ঘটিছিল । তেওঁলোকৰ মাজত চুফী সাধকসকলাে আছিল । নিজুমুদ্দিন আউলিয়া তেওঁলাোকৰ মাজৰে এজন। তেওঁৰ মতে নৈতিক মুলমন্ত্ৰবাোৰেই চুফীবাদৰ মুলমন্ত্ৰ । ধৰ্মীয় আচাৰ অনুষ্ঠান পালন কৰাটোৱেই ধৰ্ম হ’ব নাোৱাৰে । নীতি শিক্ষা আহৰণ কৰি ভাতৃত্ব বাোধেৰে শান্তিপূৰ্ণ ভাবে জীয়াই থকাটোৱেই আচল কথা । ইয়াৰ কাৰণে আত্মজ্ঞান লাভ কৰিব লাগিব ।

চুফীবাদীসকল উদাৰ হাোৱাৰ বাবে তেওঁলাোকে অন্য ধৰ্মকে সন্মানৰ চকুৰে চাইছিল । তেওঁলাোকৰ মূল উদ্দেশ্যে হ’ল ভগৱৎ প্ৰেম আৰু মানৱ প্ৰেমৰ মাজেদি জীৱন অতিবাহিত কৰা । বিস্তৃত প্ৰাৰ্থনা , উপবাস , আচাৰ – অনুষ্ঠান আদি তেওঁলাোকৰ মতে নিৰৰ্থক । এনে উদাৰ মনাোভাৱৰ বাবে হিন্দু ধৰ্মৰ লাোক সকলেও নিজামুদ্দিন আউলিয়াৰ দৰে পীৰ সকলক সন্মান কৰিছিল , আদৰি লৈছিল ।

## ( ঙ ) আজান ফকীৰ ।

**উত্তৰঃ** “ মাোৰ মনত ভেদ ভাৱ নাই অ ’ আল্লা / মাোৰ মনত ভেদ ভাৱ নাই । হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান / মাোৰ মনত ভেদভাব নাই । – এনেদৰে উদাৰ দৃষ্টি

ভঙ্গীৰে সকলাে ধৰ্মৰ লােকক আপাােন কৰি ল’ব পৰা ব্যক্তি গৰাকীয়েই হ’ল আজান ফকীৰ ।

১৭ শতিকাত অসমলৈ আহিছিল আজান ফকীৰ । তেওঁৰ আচল নাম আছিল শাহমিলন । তেওঁ মুছলমান সকলক আজান দি ভগৱানক প্ৰাৰ্থনা কৰিবলৈ আহ্বান জনাইছিল বাবে তেওঁক আজান পীৰ নামে জনা যায় । তেওঁ ৰচনা কৰা গীত সমূহক জিকিৰ বুলি কোৱা হয় । এই গীত সমূহৰ দ্বাৰা তেওঁ হিন্দু মুছলমান সকলকে একতাৰ ডাােলেৰে বান্ধি সমাজত ঐক্য শান্তি প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল শিৱসাগৰ জিলাৰ শৰাগুৰি চাপৰিত ।

**প্ৰশ্ন ৪: ভক্তিবাদ বুলিলে কি জানা লিখা ।**

**উত্তৰঃ** ভক্তি শব্দৰ অৰ্থ হ’ল সেৱা । ভক্তি বুলি কওঁতে ঈশ্বৰ বা ভগৱানৰ ওচৰত সেৱা বা আনুগত্য আগবঢ়োৱাকে বুজোৱা হৈছে । পণ্ডিতসকলৰ মতে বৈদিক সাহিত্যৰ উপনিষদতেই প্ৰথম ‘ ভক্তি ’ শব্দৰ উল্লেখ পাােৱা যায় । ঈশ্বৰৰ প্ৰতি অগাধ প্ৰেম তথা ভক্তিৰ ওপৰত গুৰুত্ব দি মহাপুৰুষসকলে যি মতবাদৰ সৃষ্টি কৰিছিল সেয়াই “ ভক্তিবাদ ” ।

ভাৰতবৰ্ষত অষ্টম শতিকা মানৰ পৰাই এক নব্য বানতুন ধৰ্মীয় ভাৱধাৰাৰ উত্থান হৈছিল আৰু লাহে লাহে এই ধৰ্মীয় ব্যৱস্থাই প্ৰসাৰতা লাভ কৰিছিল । এই আন্দোলন ধৰ্ম গুৰুসকলে বিভিন্ন দেৱ – দেৱীৰ মুৰ্তি পুজা বাদ দি একেশ্বৰ বাদত বিশ্বাস ৰাখি ভক্তিয়েই মুক্তিৰ একমাত্ৰ পথ বুলি গণ্য কৰিছিল ।

**প্ৰশ্ন ৫: আলাােৱাৰ আৰু নায়লাৰ সকল কোন আছিল ? তেওঁলাােকৰ মূল ধৰ্মমত কি ?**

**উত্তৰঃ** আলাােৱাৰ আৰু নায়লাৰসকলে দাক্ষিণাত্যৰ তামিলৰাজ্যৰ দুটা সম্প্ৰদায় । আলাােৱাৰ সকল আছিল বৈষ্ণৱ পন্থী আৰু নায়লাৰসকল আছিল শৈৱ পন্থীলাােক । আলাােৱাৰ সকলে বেদ , উপনিষদ আৰু গীতাৰ ভাৱ ধাৰাকে গ্ৰহণ কৰি ভক্তি , কৰ্ম আৰু জ্ঞানৰ ওপৰত প্ৰাধান্য দিছিল। আলাােৱাৰ সকলৰ মতে ভগৱানেই হৈছে আধ্যাত্মিক জীৱনৰ পথ প্ৰদৰ্শক । তেওঁৰ চৰণত একান্ত ভক্তিয়ে মনৰ অজ্ঞানতা দূৰ কৰি মাােক্ষলাভৰ পথ দিয়ে । তেওঁলাােকে ভক্তিমূলক কবিতা , স্ৰোত আদি ৰচনাৰ জৰিয়তে ভক্তি-বাদৰ ধাৰণা প্ৰচাৰ কৰিছিল । আলাােৱাৰ সকলকেই ভক্তি-বাদৰ বাটকটীয়া বুলি ক’ব পাৰি।

**প্ৰশ্ন ৬: গুৰু নানকে প্ৰচাৰ কৰা ধৰ্মটোক কি বুলি জনা গৈছিল ? তেওঁ প্ৰচাৰ কৰা ধৰ্মৰ মূল কথা কি আছিল লিখা ।**

**উত্তৰঃ** গুৰু নানকে প্ৰচাৰ কৰা ধৰ্মটোক শিখ ধৰ্ম বুলি জনা যায় । উত্তৰ ভাৰতত ভক্তিমাৰ্গৰ প্ৰচাৰ কৰাােতা সকলৰ ভিতৰত গুৰু নানকো আছিল এজন । তেওঁৰ মতে একমাত্ৰ সত্য পথত চলাটোৱেই হৈছে ধৰ্মৰ উদ্দেশ্য । তেওঁৰ মতবাদ কবীৰৰ মতবাদৰ সৈতে একেই । নানকৰ ধৰ্ম বিচাৰত ধনী দৰিদ্ৰ , শ্ৰেণীভেদ আৰু লিংগ ভেদ নাই । তেওঁৰ মতে সকলাে একেই মানুহ । ভগৱানৰ প্ৰেমেহে আমাক অৰ্থাৎ জীৱক ৰক্ষা কৰিব পাৰে আৰু তেওঁৰ কৰুণা বা দয়া লাভ কৰিব পাৰিলেই সকলােৱে মুক্তি লাভ কৰিব পাৰে।

## প্ৰশ্ন ৭: শঙ্কৰদেৱে প্ৰচাৰ কৰা ভক্তি ধৰ্ম প্ৰধান বৈশিষ্ট্য কি লিখা ।

**উত্তৰঃ** দাক্ষিণাত্যৰ তামিল ৰাজ্যত আলাােৱাৰ সকলে আৰম্ভ কৰা ভক্তিবাদে কালক্ৰমত সমগ্ৰ ভাৰততে প্ৰসাৰ লাভ কৰিছিল কিছুসংখ্যক ভক্ত ধৰ্মাচাৰ্যৰ প্ৰচেষ্টাত । ভাৰতবৰ্ষৰ বিভিন্ন স্থানত বিভিন্ন জনে ভক্তি ধৰ্ম প্ৰচাৰত মনাােনিবেশ কৰিছিল ।

অসমত ভক্তি ধৰ্ম প্ৰচাৰৰ কথা ক'লেই প্ৰধানকৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামটোৱেই মনলৈ আহে । তেওঁ অসমত নৱ বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰি এই আন্দোলন জনপ্ৰিয় কৰি তুলিছিল । শঙ্কৰদেৱে প্ৰচাৰ কৰা ভক্তি ধৰ্মৰ প্ৰধান বৈশিষ্ট্য হল—

( ১ ) ঈশ্বৰ এক । তেওঁৰ বাহিৰে অইন দেৱ – দেৱীৰ স্থান নাই ।

( ২ ) সকল মানুহেই সমান । উচ্চ নীচৰ প্ৰভেদ নাই।

( ৩ ) ' যত জীৱ , তত শিৱ ' । অৰ্থাৎ সকলাে জীৱৰে শ্ৰষ্টা ভগৱান । জীৱ – হত্যা মহাপাপ ।

## প্ৰশ্ন ৮: ভাৰতবৰ্ষৰ সামাজিক সাংস্কৃতিক দিশত নব্য ধৰ্মীয় আন্দোলনৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখা ।

**উত্তৰঃ** দাক্ষিণাত্যৰ মিল দেশৰ পৰা আলাােৱাৰ আৰু নায়লাৰ সকলৰ জৰিয়তে সমগ্ৰ ভাৰতবৰ্ষতে নব্য ধৰ্মীয় আন্দোলন প্ৰবাহিত হ'ল।ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত ভক্তিবাদৰ সমৰ্থক ধৰ্মগুৰুসকলে সৰ্ব সাধাৰণৰ মাজত একেশ্বৰবাদী ভগৱৎ প্ৰেম , ভক্তিবাদৰ ধাৰা বাােৱাই দিলে । সেই সময়তে ভক্তিবাদৰ লগে লগে চুফীবাদেও সমানে প্ৰসাৰতা লাভ কৰিছিল । ভক্তিবাদ আৰু চুফীবাদ আন্দোলনে আধ্যাত্মিক দিশত বিশেষভাৱে অৰিহণা যাােগাােৱাৰ উপৰিও সামাজিক দিশতাে প্ৰভাৱ পেলালে । নব্য ধৰ্মীয় আন্দোলনে জাতি – বৰ্ণ – ধৰ্ম নিৰ্বিশেষে সকলাােকে জীৱনৰ মৰ্যাদা দান কৰে । নিম্ন বৰ্ণৰ লাােককো ধৰ্মীয় ক্ষেত্ৰত সমানে সহযাােগিতা কৰাৰ সুবিধা প্ৰদান কৰে ।

এই আন্দোলনে হিন্দু মুছলমান সকলৰ মাজত সম্প্ৰীতিৰ ভাৱ জগাই তাে লাত অৰিহণা যাে গাইছিল । কিয়নাে ভক্তিবাদ আৰু চুফীবাদ দুয়াে টাই উদাৰ দৃষ্টিভংগী গ্ৰহণ কৰিছিল । হিন্দু – মুছলমান সকলৰ বাহিৰেও গুৰু নানকৰ দ্বাৰা প্ৰৱৰ্ত্তিত শিখ ধৰ্মীয় লাে কসকলেও ধৰ্মীয় তাৎপৰ্য বুজি পাইছিল আৰু ভাতৃত্বৰ মনোভাৱেৰে ঐক্য – সংহতি বৃদ্ধি কৰাত অৰিহণা যাে গাইছিল । নব্য ধৰ্মীয় আন্দোলনে ভাৰতবৰ্ষৰ সাংস্কৃতিক দিশতাে অৰিহণা যাে গাইছে । ধৰ্ম প্ৰচাৰক সকলে সাধাৰণ মানুহক আকৰ্ষিত কৰাৰ বাবে বহুতাে গীত মাত ৰচনা কৰিছিল আৰু ইয়াৰ ফল স্বৰূপে সুকুমাৰ কলাৰ উন্নতি সাধন হৈছিল । গীত – মাতবাে ৰ আঞ্চলিক ভাষাত ৰচনা কৰাৰ কাৰণে হিন্দী , বাংলা , মাৰাঠী, তামিল , ব্ৰজাৱলী আদি ভাষাৰ উন্নতি হৈছিল। উত্তৰ পূব ভাৰতত অৰ্থাৎ অসমত শ্ৰীমন্ত শঙ্কৰদেৱে ভক্তি আন্দোলনৰ গইনা লৈ অসমবাসীক বৰগীত , ভাওঁনা , অংকীয়া নাট আদি উপহাৰ দি সাংস্কৃতিক ক্ষেত্ৰখন চহকী কৰিছিল ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

### প্ৰশ্ন ১: ভাৰতবৰ্ষত ভক্তিবাদে প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰাৰ মূলতে কি বুলি ভাবা ?

**উত্তৰঃ** ভাৰতীয় সমাজত ভক্তিবাদৰ আৰম্ভণি হাে ৱাৰ বহু বছৰ আগৰে পৰা সমাজত প্ৰচলিত আৰম্ভণি হাে ৱাৰ বহু বছৰ আগৰে পৰা সমাজত প্ৰচলিত কিছুমান ব্যৱস্থাই সাধাৰণ মানুহৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল। ভাৰতবৰ্ষৰ ধৰ্মীয় জগতত যাগ – যজ্ঞ , পূজা – পাতলৰ পয়াে ভৰ খুব বেছি আছিল । যাগ – যজ্ঞত জীৱ – জন্তুকে আদি কৰি মানুহ পৰ্যন্ত বলি দিয়া হৈছিল । এনে কাৰ্যত সাধাৰণ মানুহে যন্ত্ৰণা ভাে গ কৰিব লগীয়া হৈছিল। জাতিভেদ প্ৰথা অতি কঠোৰ আছিল । ব্ৰাহ্মণ শ্ৰেণীৰ স্থান উচ্চ আছিল আৰু বাকী নীচ বা তল শ্ৰেণীৰ বুলি ভবা লাে কসকলক অৱদমিত কৰি ৰখা হৈছিল ।

এনে ব্যৱস্থাবোৰত সাধাৰণ মানুহ অতীষ্ঠ হৈ আছিল । তেওঁলাে কে উদাৰ নৈব্য ধৰ্ম ভক্তিবাদক আকোৱালি লৈছিল । ভগৱান এক আৰু তেওঁৰ সৃষ্টিৰ সকলাে মানুহ সমান – এই বাণীয়ে তেওঁলাে কক উৎসাহিত কৰিছিল ।

### প্ৰশ্ন ২: চমু উত্তৰ দিয়া –

( ক ) উত্তৰ ভাৰতত চুফিবাদৰ প্ৰচাৰ চলাে ৱা পীৰ গৰাকী কোন আছিল ?

**উত্তৰঃ** মইনুদ্দিন চিস্তি ।

( খ ) “ ধৰ্মীয় আচাৰ – অনুষ্ঠান পালন কৰাটোৱেই ধৰ্ম হ’ব নোৱাৰে।”— এই মত কোন জনা পীৰৰ ?

**উত্তৰঃ** নিজামুদ্দিন আউলিয়াৰ ।

( গ ) চুফীবাদৰ কোন গৰাকী পীৰৰ সমাধি হাজোৰ গৰুড়াচল পাহাৰৰ ওপৰত আছে ?

**উত্তৰঃ** গিয়াচুদ্দিন আউলিয়াৰ ।

( ঘ ) আজান ফকীৰৰ পিছত আৰু পাঁচ গৰাকী পীৰ অসমলৈ আহি ইয়াতে থাকি গৈছিল ? তেওঁলোকক একেলগে পঞ্চপীৰ বুলিও জনা যায়। তেওঁলোক কোন কোন ?

**উত্তৰঃ** চাহ আকবৰ , চাহ বচাৰাম , চাহ চাৰণ , চাহ চুফী আৰু চাহ কামাল ।

( ঙ ) শিৱসাগৰ জিলাৰ শৰাগুৰি চাপৰি কিয় বিখ্যাত ?

**উত্তৰঃ** চুফী সাধক আজান ফকীৰৰ দৰগাহ আছে।

( চ ) “ কাৰো জাতপাতৰ প্ৰশ্ন নুতুলিবা , হৰিক যিজনে ভজে , তেওঁ হৰিৰে হৈ পৰে । ” — এই কথাষাৰ কোনে কৈছিল ?

**উত্তৰঃ** কবীৰে ।